জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৫৪/২০২০

**ৰাজ্যৰ আৰক্ষী ব্যৱস্থাত এক নৱতম সংযোজন**

# মুখ্যমন্ত্ৰীয়ে শুভাৰম্ভ কৰিলে অসম আৰক্ষীৰ ই-চালান ব্যৱস্থাৰ

**দিছপুৰ, ১২ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এক অনুষ্ঠানৰ জৰিয়তে ট্ৰেফিকৰ বাবে ভাৰ্চুৱেল ক'ৰ্ট (Virtual Court) আৰু ই-চালান প্ৰকল্পৰ (e-Challan Project) ৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। এই ব্যৱস্থাৰ জৰিয়তে এক কেন্দ্ৰীভূত ট্ৰেকিং (Centralized Tracking) ব্যৱস্থাৰ অধীনত যান-বাহন বিধি উলংঘাকাৰীয়ে আদালতলৈ নোযোৱাকৈ ডিজিটেল ব্যৱস্থাৰ জৰিয়তে জৰিমনা আদায় দিব পাৰিব। এই পদ্ধতিয়ে পূৰ্বৰ মেনুৱেল চালান ব্যৱস্থাক আঁতৰাই ডিজিটেল চালান প্ৰদানৰ ব্যৱস্থা উপলব্ধ কৰিব। এই ব্যৱস্থাই যান-বাহন ব্যৱস্থাপনাত স্বচ্ছতাৰ সূচনা কৰিব আৰু সংগৃহীত ধনৰাশি স্বয়ংক্ৰিয়ভাৱে অসম ৰাজ্যিক কোষাগাৰত জমা হ'ব। প্ৰথমাৱস্থাত গুৱাহাটী মহানগৰীত ইয়াক পাইলট প্ৰকল্প হিচাপে ৰূপায়ণ কৰা হ'ব আৰু প্ৰথম পৰ্যায়ত ৰাজ্যৰ ১১ খন জিলাত এই অত্যাধুনিক ব্যৱস্থা ৰূপায়িত হ'ব।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ট্ৰেফিক ব্যৱস্থাপনা প্ৰক্ৰিয়াটোক আধুনিকীকৰণৰ ব্যৱস্থা লোৱাৰ বাবে অসম আৰক্ষীৰ শলাগ লয়। ই-চালান ব্যৱস্থাই এই দিশত বিশেষভাৱে অৰিহণা যোগাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই ব্যৱস্থাই যান-বাহনৰ নিয়ম উলংঘাকাৰীসকলৰ পৰা জৰিমনা আদায় কৰা ব্যৱস্থাটোক স্বচ্ছতা প্ৰদান কৰাৰ উপৰি জনসাধাৰণক ক্ষিপ্ৰ আৰু কাৰ্যদক্ষ সেৱা প্ৰদানৰ দিশত বিশেষভাৱে অৰিহণা যোগাব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে জনসাধাৰণলৈ সুপ্ৰশাসন ব্যৱস্থা প্ৰদানৰ বাবে ডিজিটেল প্ৰযুক্তি প্ৰয়োগৰ বাবে নিষ্ঠাসহকাৰে পদক্ষেপ লৈ আছে বুলি উল্লেখ কৰি ৰাজ্য চৰকাৰেও সমাজৰ দুৰ্বল শ্ৰেণী তথা সকলো শ্ৰেণীৰ জনসাধাৰণক প্ৰযুক্তিৰ প্ৰয়োগেৰে সৰলীকৰণৰ বাবে বহুসংখ্যক পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ ফলশ্ৰুতিতে জনসাধাৰণে এতিয়া চৰকাৰী আঁচনিৰ সা-সুবিধা প্ৰত্যক্ষভাৱে লাভ কৰিবলৈ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই ব্যৱস্থাই মধ্যভোগীৰ স্থান বিলুপ্ত কৰাৰ উপৰি ৰাজহুৱা ধনৰ ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰাৰ পথ সুগম কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

ৰাজ্যখনৰ শান্তি-শৃংখলা বজাই ৰখাৰ দিশত অসম আৰক্ষীয়ে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে বুলি উল্লেখ কৰি ক'ভিড-১৯ অতিমাৰীৰ সময়ত অসম আৰক্ষীয়ে জনসাধাৰণলৈ আগবঢ়োৱা সেৱাৰো মুখ্যমন্ত্ৰীয়ে শলাগ লয়। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে আৰক্ষী বাহিনীৰ আধুনিকীকৰণ আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে লোৱা বিভিন্ন পদক্ষেপসমূহৰ কথাও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ন্যায়িক ব্যৱস্থাত প্ৰযুক্তিৰ প্ৰয়োগৰ দিশত লোৱা পদক্ষেপৰ বাবে উচ্চতম ন্যায়ালয়ক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। এই ব্যৱস্থাই

জনসাধাৰণক ন্যায় ব্যৱস্থাৰ ওচৰ চপাই নিয়াত সহায় কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ে ভাৰ্চুৱেলি প্ৰদান কৰা ভাষণত ন্যায়িক ব্যৱস্থাত প্ৰযুক্তি প্ৰয়োগৰ বিভিন্ন দিশ অৱলোকন কৰে।

আজিৰ অনুষ্ঠানত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হৃষীকেশ ৰয়, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ এন কটিশ্বৰ সিঙ,গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ভাৰপ্ৰাপ্ত ন্যায়াধীশ মানস ৰঞ্জন পাঠক, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশদ্বয় ক্ৰমে ন্যায়াধীশ মনোজিৎ ভূঞা আৰু ন্যায়াধীশ সুমন শ্যামেও মানুহৰ জীৱন যাত্ৰা অধিক সুগম আৰু সৰল কৰি তোলাৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰৰ প্ৰয়োজনীয়তাৰ ওপৰত বক্তব্য প্ৰদান কৰে।

অনুষ্ঠানত মুখ্য সচিব জিষ্ণু বৰুৱা, আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তকে ধৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**স্বাক্ষৰঃ / বঃভাঃ**
**১২/১১/২০২০**